অধ্যায় ২ঃ সামাজিকচুক্তিতত্ত্ব -হবচ্

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ মানৱ প্ৰকৃতি সম্পৰ্কে হবচ্ৰ দৃষ্টিভংগী
২.৪ সমাজৰ উৎপত্তি
২.৫ সামাজিক চুক্তি তত্ত্ব
২.৬ সামাজিক চুক্তি তত্ত্ব সম্পৰ্কে হবচ্ৰ দৃষ্টিভংগী
২.৭ সমালোচনা
২.৮ ব্যক্তিৰ সমাজৰ সৈতে থকা সম্পৰ্ক
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্ৰগতিৰ খতিয়ান
২.১২ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজৰ সৃষ্টি হোৱাৰ আগতে মানুহৰ প্ৰকৃতি কেনেধৰণৰ আছিল সেই সম্পৰ্কে হবচ্ৰ দৃষ্টিভংগী জানিব পাৰিব
- সমাজৰ কেনেদৰে উৎপত্তি হ'ল সেয়া জানিব পাৰিব
- সামাজিক চুক্তি তত্ত্ব সম্পৰ্কে হবচ্ৰ দৃষ্টিভংগী জানিব পাৰিব
- ব্যক্তি আৰু সমাজৰ মাজত থকা সম্পৰ্কৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

উমৈহতীয়া দৃষ্টিভংগী, পচন্দ-অপচন্দঅথবা লক্ষ্যৰ গৰাকী মানৱ গোট একোটা সমাজ একোখ গঠন কৰে। ব্যক্তি অবিহনে সমাজৰ অস্তিত্ব নাথাকে। ব্যক্তি আৰু সমাজৰ মাজত এটা আন্তঃ সম্পৰ্ক আছে। কিন্তু অতীজত সমাজ এখন নথকাকৈ ব্যক্তি কেনেদৰে জীয়াই আছিল? সমাজৰ সৃষ্টি হোৱাৰ পূৰ্বে মানুহৰ প্ৰকৃতি কেনেধৰণৰ আছিল? সমাজৰ উৎপত্তি কেনেদৰে হ'ল? এই অধ্যায়টিত মূলতঃ উপৰি উক্ত প্ৰশ্ন তিনিটাই আলোচনা কৰা হ'ব। আলোচনাত ব্যক্তিয়ে কেনেদৰে সামাজিক চুক্তি সম্পাদন কৰি সমাজ গঠনৰ বাবে সহমত প্ৰদান কৰিছিল সেয়া বৰ্ণনা কৰা হৈছে। সমাজৰ উৎপত্তি সম্পৰ্কে বিভিন্ন দৃষ্টিভংগী আছে। ইয়াত ব্যক্তি আৰু প্ৰকৃতি ৰাজ্যৰ

মাজত হোৱা সামাজিক চুক্তিৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টি পঢ়ি আপুনি ব্যক্তি আৰু সমাজ সম্পর্কে হবচ্ৰ দৃষ্টিকোণ সম্পর্কে অৱগত হ'ব।

২.৩ মানৱ প্রকৃতি সম্পর্কে হবচ্ৰ দৃষ্টিভংগী

থ'মাচ হবচ্ৰ মানৱ প্রকৃতি সম্পর্কীয় দৃষ্টিভংগী অনুসৰি সমাজ সৃষ্টি হোৱাৰ আগতে সকলো মানুহ সমাজ আছিল আৰু নিজ অস্তিত্ব বর্তাই ৰাখিবলৈ যি কৰাৰ প্রয়োজন সেয়া সম-অধিকাৰেৰে অনুশীলন কৰিছিল। নিজৰ সুৰক্ষাৰ বাবে সকলোৰে সকলোকে আঘাত নাইবা হত্যা কৰাৰ অধিকাৰ আছিল। প্রত্যেক ব্যক্তিৰে নিজ ইচ্ছামতে কাম কৰাৰ আৰু যি বিচাৰে সেয়া আহৰণ কৰাৰ সম-স্বাধীনতা আছিল। হবচ্ৰ মত অনুসৰি যিহেতু প্রত্যেককে সমান ভাৱে সৃষ্টি কৰা হৈছে, সেয়েহে প্রত্যেকৰে প্রত্যেকক হত্যা কৰাৰো সমান সামর্থ আছে। বল-শক্তিৰ পার্থক্য জয় কৰিব পৰা গৈছিল আৰু দুর্বলেও বলবানকপৰাজিত কৰিছিল।

হবচে বিশ্বাস কৰিছিল যে মানুহৰ সদায় অধিক ক্ষমতা লাভ কৰাৰ হাবিয়াস থাকেআৰু হাতত থকা ক্ষমতাক লৈ কোনোদিনে সন্তুষ্ট নহয়। যেতিয়া একাধিক ব্যক্তিয়ে একেটা বস্তুকে পাবলৈ ইচ্ছা কৰে, তেতিয়াই তেওঁলোকৰ মাজত সংঘাতৰ সৃষ্টি হয়। সংঘাতৰ পৰিণতি হ'ল যুদ্ধ আৰু যুদ্ধত মানুহে পৰস্পৰক ধ্বংস কৰাৰ চেষ্টা চলায়। অর্থাৎ, ব্যক্তিৰ মাজত প্রতিযোগিতা চলে, অবিশ্বাসৰ মনোভাৱে গা কৰি উঠে আৰু গর্ব অর্জন কৰাৰ ইচ্ছা জন্মে। সমাজ সৃষ্টিৰ আগতে মানুহবোৰ আছিল স্বার্থপৰ প্রকৃতিৰ। তেওঁলোকেকেৱল নিজৰ কথা ভাবিছিল আৰু যিকোনো মূল্যৰ বিনিময়ত নিজ স্বার্থ সুৰক্ষিত ৰখাৰ চেষ্টা কৰিছিল। সেই সময়ছোৱাত মানুহৰ মাজত একতা নাছিল।

বিশ্লেষণৰ অন্তত হবেচে কৈছিল যে মানুহে দুটা অভিপ্রায় সিদ্ধকৰাৰ চেষ্টা চলাইছিল ক্ষুধা নিবাৰম আৰু ঘৃণা প্রদর্শন। মানুহে নিজ অস্তিত্ব বর্তাই ৰাখিবলৈ যিকোনো পর্যায়লৈ যাব পাৰিছিল। একে সময়তে তেওঁলোকে ভাবুকিৰ সৃষ্টি কৰা যিকোনো বস্তু কথাকে ঘৃণা কৰিছিল। হবচ্ৰ মতে মানুহ মূলতঃ অহংবোধ সম্পন্ন জীৱ। সেয়েহে মানুহে কেৱল নিজ অস্তিত্ব বর্তাই ৰখাৰ চিন্তা কৰিছিল আৰু নিজ হাবিয়াস পূৰণৰ বাবে যিকোনো কাম কৰিছিল। অর্থাৎ, সমাজ সৃষ্টি হোৱাৰ পূর্বে মানুহৰ মাজত যথেষ্ট সংঘাত আৰু অৰাজকতাৰ পৰিৱেশ বিৰাজ কৰিছিল। এই সময়ছোৱাত নৈতিকতা, সজগুণ, ভুল-শুদ্ধৰ দৰে ধাৰণাবোৰৰ অস্তিত্ব নাছিল।

কিন্তু হবচ্ৰ মতে তৎসত্বেও সমাজ গঠন হোৱাৰ আগতে মানুহৰ মাজত প্রাকৃতিক নিয়মৰ অস্তিত্ব আছিল। এই নিয়মেই আছিল সাধাৰণ আইন। ইয়াৰ ভিত্তিতে মানুহে কি কৰিব কি নকৰিব তাৰ সিদ্ধান্ত লৈছিল। মানুহে ব্যক্তিগত সুৰক্ষাৰ বাবে এই নিয়মবোৰ মানি চলিছিল। তেওঁলোকে নিজ অস্তিত্ব বর্তাই ৰখাৰ বাবে শান্তিৰ প্রয়োজনীয়তা বুজি পাইছিল। এইদৰেই তেওঁলোকে এক চুক্তিৰ ৰূপত পৰস্পৰ সৈতে এক সহমতত উপনীত হৈছিল. এই তত্ত্বটোকে সামাজিক চুক্তি তত্ত্ব নামেৰে জনা যায়। ওপৰৰ আলোচনাৰ ভিত্তিত আমি ক'ব পাৰোঁ যে মানৱ

প্রকৃতি সম্পর্কে হবচ্ৰ যি দষ্টিভংগী আছিল সেইটোৰ পৰাইতেওঁ সামাজিক চুক্তি তত্ত্বটো বিকশিত কৰিছিল।

২.৪ সমাজৰ উৎপত্তি

ব্যক্তি সমাজ অবিহনে আধৰুৱা। মানুহক সামাজিক জীৱ বোলা হয়। কাৰণ, মানুহে পৰস্পৰৰ সৈতে একোটা সামাজিক সম্পর্ক স্থাপন কৰে আৰু সেয়া বর্তাই ৰাখে। কিছুমান উমৈহতীয়া উদ্দেশ্যেৰে সৈতে বহু মানুহ একে লগে বাস কৰে। এনেদৰে বাস কৰা মানুহৰ মাজত আন্তঃসম্পর্ক থাকে। এনেকৈয়ে জনসমষ্টি একোটাই একোখন সমাজ গঠন কৰে। মানুহৰ সামাজিকে প্রকৃতিয়েই মানুহক সমাজ সৃষ্টিত সহায় কৰে। সমাজ অবিহনে ব্যক্তিৰ অস্তিত্ব কল্পনা কৰা নহয়। সমাজ এখন কেনেদৰে গঠন কৰা হয়? উমৈহতীয়া পছন্দ অপচন্দ আৰু উদ্দেশ্য থকা মানুহৰ দল একোটাই একেলগে বসবাস কৰা আৰম্ভ কৰিলেই তাক এখন সমাজ বুলি কোৱা হয়। অর্থাৎ, মানুহেই সমাজ গঢ়ে। সমাজৰ উৎপত্তি সম্পর্কীয় বহুতো দৃষ্টিভংগী আছে। তেনে এটা দৃষ্টিভংগী হ'ল সামাজিক চুক্তিবিষয়ক তত্ত্ব। সমাজৰ উৎপত্তি বিষয়ক এই তত্ত্বটোৰ প্রধান সমর্থক হ'ল থ'মাচ হবচ্, জন লক আৰু জে.জে. ৰুছোঁ।

২.৫ সামাজিক চুক্তি তত্ত্ব

ইতিপর্বে আলোচনা কৰা হৈছে যে সমাজ গঠন হোৱাৰ পূর্বে সকলো মানুহ স্বাধীন আছিল। মানুহে কোনো ধৰণৰ বাধ্য বাধকতা মানি নচলিছিল। যিহেতু সেই সময়ত সমাজৰ ধাৰণাটো নাছিল সেয়েহে মানুহৰ মাজতো কোনো ধৰণৰ একতা নাছিল। কিন্তু পৰৱর্তী সময়ত এক চুক্তিৰ জৰিয়তে মানুহে পৰস্পৰৰ নিকট সান্নিধ্যলৈ আহি সমাজ গঠন কৰিলে। প্রবুদ্ধিৰ যুগত এই তত্ত্বটোৰ বিকাশ ঘটিছিল। মানুহে নিজৰ সুৰক্ষাৰ বাবে, উমৈহতীয়া স্বার্থ ৰক্ষাৰ বাবে, এক উমৈহতীয়া লক্ষ্য আগত ৰাখি আৰু সকলোৰে সামগ্রিক কল্যাণৰ স্বার্থত এই চুক্তি সম্পাদন কৰিছিল। সমাজ গঠন হোৱাৰ পূর্বে মানুহ প্রকৃতি ৰাজ্যৰ বাসিন্দাআছিল। এই ৰাজ্যত কোনো চৰকাৰ নাছিল বাবে মানুহ কোনো আইনৰ অধীন নাছিল। এই সময়ছোৱাত মানুহ স্বতন্ত্র আছিল আৰু প্রাকৃতিক নিয়মৰ দ্বাৰা পৰিচালিত আছিল। কিন্তু এটা সময়ত মানুহে নিজৰ স্বাধীনতা বর্জন কৰাৰ সিদ্ধান্ত লৈ একেলগে ৰাষ্ট্র গঠনৰ বাবে আগবাঢ়ি আহিছিল। অর্থাৎ, মানুহ হ'ল ৰাষ্ট্রৰ সৃষ্টিকর্তা। এনে ৰাষ্ট্রত মানৱ সৃষ্ট নীতি-নিয়মে প্রাকৃতিক নিয়মৰ স্থান দখল কৰিছিল।

২.৬ সামাজিক চুক্তি তত্ত্ব সম্পর্কে হবচ্ৰ দৃষ্টিভংগী

হবচ্ৰ মতে মানুহ স্বার্থপৰ আৰু পৰস্পৰৰ সৈতে সংঘাতত লিপু। মানুহে যুক্তিযুক্ত আচৰণ প্রদর্শন নকৰে। মানুহ সদায় ভোক, আসক্তি আৰু হাবিয়াসৰ দ্বাৰা পৰিচালিত। প্রকৃতি ৰাজ্যত মানুহৰ জীৱন নিঃসঙ্গ, নির্মম, জঘন্য আৰু চুটি'। এনে পৰিস্থিতিত কোনো আইন আৰু

ন্যায় নাথাকে। ইয়াত কেৱল প্রাকৃতিক অধিকাৰ সাব্যস্ত কৰাৰ থল থাকে। প্রকৃতি ৰাজ্যৰ পৰিৱেশ অসহ্যকৰ। এইবোৰ কাৰণতে মানুহে স্ব-ইচ্ছাৰে নিজৰ সকলো অধিকাৰ সমর্পন কৰিব পৰা এক কর্তৃপক্ষ গঠন কৰিবলৈ আগবাঢ়ি আহিছিল। অর্থাৎ, মানুহে শান্তিৰ সন্ধানত সমাজ গঠন কৰিছিল।

সামাজিক চুক্তিৰ ফলাফলবোৰ হ'ল—

- এই চুক্তিৰ আধাৰত এখন সমাজ গঠন কৰা আৰু এখন শাসক বাছনি কৰা হৈছিল।
- সমাজৰ শাসকজন চুক্তিৰ নীতি-নিয়মৰ উর্দ্ধত আছিল।
- সমাজৰ সদস্যসকলে শাসকৰ বিৰুদ্ধে যাব নোৱাৰিছিল। ইয়াক চুক্তিৰ নিয়মাৱলী উলংঘনকাৰ কার্য বুলি গণ্য কৰা হৈছিল। এনে বিৰুদ্ধাচৰণে মানুহক পুনৰ প্রকৃতি ৰাজ্যলৈ ঘূৰি যাবলৈ বাধ্য কৰিব বুলি ভবা হৈছিল। চৰকাৰ ভংগ হ'লে ৰাষ্ট্রও ভংগ হ'ব বুলি ধৰা হৈছিল।

২.৭ সমালোচনা

তলৰ যুক্তিবোৰৰ আধাৰত হবচ্ৰ সামাজিক চুক্তি তত্ত্বটোৰ সমালোচনা কৰা হয়-

সমাজ গঠনৰ পূর্বে ৰাষ্ট্রৰ কোনো ঐতিহাসিক অস্তিত্ব নাই। মানুহ জন্মাৰ লগে লগেই সমাজৰ অস্তিত্ব গঢ় লৈ উঠে। ব্যক্তি আৰু সমাজৰ মাজত আন্তঃ নির্ভৰশীলতা আছে। মানুহ সম্পূর্ণ স্বার্থপৰ বুলি হবচে আগবঢ়োৱা মত গ্রহণযোগ্য নহয়। মানুহৰ স্বভাৱত সদায়েই স্বার্থপৰ আৰু উদাৰ উভয় ধৰণৰ বৈশিষ্ট্য থাকে। পুনৰ, সমাজ গঠনৰ বাবে মানুহে নিজৰ সকলোবোৰ প্রাকৃতিক অধিকাৰ সমর্পন কৰিছিল বুলি হবচে আগবঢ়োৱা মতটোক সমালোচকসকলে মানুহৰ সাধাৰণ বিচাৰ-বুদ্ধিৰ পৰিপন্থী বুলি গণ্য কৰে। প্রত্যেক ব্যক্তিৰে নিজস্ব অধিকাৰ কিছুমান থাকে। সেয়া তেওঁলোকে নির্দিষ্ট কিছুমান বাধ্য-বাধকতা মানি অনুশীলন কৰে। এখন সমাজত বাস কৰা প্রতিগৰাকী ব্যক্তিৰে আত্ম-সচেতনতা কেতিয়াও সমাজ গঠনৰ পূৰ্বেকমানুহৰ মনত থকা স্বার্থপৰতাৰ ফলাফল হ'ব নোৱাৰে। আমি ক'ব পাৰোঁ যে ব্যক্তিৰ যদি মানসিক, সামাজিক, যৌক্তিক আৰু আৱেগিক বিকাশ নঘটিলহেঁতেন, তেন্তে সামাজিক চুক্তি সম্পাদিত নহ'লহেঁতেন। এনে বিকাশ কেৱল সমাজতহে সম্ভৱ। আকৌ, কোৱা হৈছে যে শাসক সামাজিক চুক্তিৰ নীতি-নিয়মৰ উর্দ্ধত আৰু সমাজৰ সদস্যই শাসকৰ হাতত নিজৰ স্বাভাৱিক অধিকাৰবোৰ সমর্পন কৰে। যদি কথাটো সঁচা হয়, তেন্তে ইয়াৰ অর্থ এয়াই হ'ব যে ব্যক্তিয়ে নিজৰ সমগ্র ক্ষমতা শাসকৰ হাতত অর্পণ কৰে। কিন্তু এনে অৱস্থা সমাজ গঠনৰ পূর্বে বাহাল থকা অৱস্থাতকৈও শোচনীয় হ'লহেঁতেন। অর্থাৎ, হবচে সমর্থন কৰা সামাজিক চুক্তি তত্ত্বটো সম্পূর্ণ আসোঁৱাহমুক্ত নাছিল।

২.৮ ব্যক্তিৰ সমাজৰ সৈতে থকা সম্পর্ক

মানুহ হ'ল শৰীৰ, মন আৰু আত্মা-এই তিনিটা উপাদানেৰে সৃষ্ট জীৱ। এই তিনিটা দিশৰ সমন্বয়ৰ মাধ্যমেৰে মানুহৰ ব্যক্তিত্বৰ প্রকাশ ঘটে।

এক বিবেচনাপূর্ণ সামাজিক জীৱৰূপেমানুহক সমাজ অবিহনে কল্পনঙ্গ কৰিব নোৱাৰি। সমাজ নাথাকিলে মানুহৰ ব্যক্তিত্ব আৰু স্ব-সত্ত্বাৰ বিকাশ নঘটে। সমাজৰ সৈতে কৰা আন্তঃক্রিয়াৰ জৰিয়তে শিশু এটাৰ প্রকৃতি গম পোৱা যায়।

প্রত্যেক ব্যক্তিৰে সমাজৰ সৈতে একোটা সম্পর্ক থাকে। 'ব্যক্তি' নামৰ অভিধাটোৱে এক আবিৰত প্রক্রিয়াৰ কথা বুজায়। সমাজৰ সৈতে থকা সম্পর্কৰ আধাৰত প্রতিগৰাকী ব্যক্তিৰ সুকীয়া পৰিচয় গঢ় লৈ উঠে।

মানুহ আৰু সমাজৰ মাজৰ সম্পর্ক বুজাবলৈ বিভিন্ন তত্ত্বৰ আলোচনা কৰা হয়। তলত এনে দুটামান তত্ত্ব চমুকৈ উল্লেখ কৰা হ'ল ঃ

(ক) **ব্যক্তি স্বাতন্ত্রবাদ** (Individualism) ঃ সমাজ এখনৰ ব্যক্তি সকল পৰস্পৰে পৰস্পৰৰ পৰা স্বতন্ত্র। ব্যক্তি মাত্রেই স্বাধীন। ব্যক্তি সমাজৰ বাধ্যবাধকতাৰে পৰিচালিত নহয়। ব্যক্তিৰ নিজস্ব স্বর্থত বাধাৰ সৃষ্টি হ'লে তেওঁৰ সমাজৰ পৰা আঁতৰি যোৱাৰ স্বাধীনতা আছে। কিন্তু সমাজ এখনৰ ব্যক্তি অবিহনে কোনো অস্তিত্ব নাই। ব্যক্তি সমষ্টিয়ে সমাজ গঢ়ে। সমাজৰ সৃষ্টি হোৱাৰ আগতে প্রতিগৰাকী ব্যক্তিয়েই আছিল একো একোটা স্বতন্ত্র একক। পাছত তেওঁলোকে নিজৰ মাজতে এক চুক্তি কৰি ঐক্যবদ্ধ হ'ল আৰু সমাজ গঠন কৰিলে। কিন্তু এই তত্ত্বটোক কিছুমান কথাৰ ভিত্তিত সমালোচনা কৰা হয়। তত্ত্বটোত কিছুমান শিথিলতা আছে। যদি ব্যক্তিয়ে সঁচাকৈয়ে সমাজ অবিহনে নিজ অস্তিত্ব বর্তাই ৰাখে, তেন্তে তেওঁলোকৰ মাজত সামাজিক ভাৱনা জাপি উঠাৰ কোনো সম্ভাৱনা নাই। সামাজিক ভাৱনা নাথাকিলে সমাজ গঠন কৰাটো অসম্ভৱ কথা। ইয়াৰ লগতে মানুহে অনবৰতে কেৱল নিজৰ কথাই ভাবি থাকিব নোৱাৰে আৰু সম্পূর্ণকৈ অন্যৰ ভালৰ কথাও ভাবিব নোৱাৰে। অর্থাৎ, মানুহ হ'ল অহংবোধ আৰু পৰোপকাৰবোধৰ সংমিশ্রণ। কিন্তু মানুহৰ এই স্থিতি সমাজ অবিহনে কল্পনা কৰিব নোৱাৰি। লগতে, সমাজ অবিহনে মানুহৰ ব্যক্তিস্বাতন্ত্র বাদী বৈশিষ্ট্য মানসিক তথা সামাজিকভাৱে বিকশিত হ'ব নোৱাৰে। এনে পৰিস্থিতিত ব্যক্তিৰ মাজত কোনো চুক্তি সম্পাদিত হোৱাৰ আশা নাথাকে।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে ব্যক্তি আৰু সমাজৰ সম্পর্ক ব্যাখ্যাত ব্যক্তিস্বাতন্ত্রবাদী তত্ত্বটো গ্রহণযোগ্য নহয়।

(খ) **সামূহিকতাবাদ অথবা সমাজবাদ** (Collectivism or Socialism) ঃ এই তত্ত্ব অনুসৰি, স্বতন্ত্রতা হেৰুওৱা ব্যক্তিয়ে একত্রিতহৈ এখন সমাজ গঠন কৰে। এই তত্ত্বটোৰ মতে ব্যক্তি অবিহনেই এখন সমাজৰ অস্তিত্ব থাকে। কিন্তু ব্যক্তি সমাজ অবিহনে জীয়াই থাকিব নোৱাৰে। ব্যক্তিৰ বিকাশ সমাজৰ ওপৰত নির্ভৰশীল। অর্থাৎ, সমাজে ব্যক্তিৰ ওপৰত সম্পূর্ণ নিয়ন্ত্রণ সাব্যস্ত কৰে। এই তত্ত্বটোৱে ব্যক্তি স্বাতন্ত্রবাদৰ বিৰোধিতা কৰে। প্লেট' আৰু এৰিষ্ট'টলে এই তত্ত্বটোলৈ সমর্থন আগবঢ়াইছিল। কিন্তু এই তত্ত্বটোকো কিছুমান বিশেষ কথাৰ বাবে সমালোচনা কৰা হয়। তত্ত্বটোৱে সমাজ অবিহনে ব্যক্তিৰ থকা ব্যক্তিস্বাতন্ত্রবাদী স্বাধীনতাক আওকাণ কৰে। কিন্তু এয়া সম্ভৱ নহয়। কিছুমান উমৈহতীয়া পচন্দ-অপচন্দ থকা ব্যক্তিৰ সমষ্টি একোটাই সমাজ একোখন গঠন কৰে।

সেইটো দিশেৰে ব্যক্তিয়ে সমাজক সম্পূর্ণ নিয়ন্ত্রণ কৰিব পাৰে। কিন্তু সামূহিকতাভাদে এই কথাটো অগ্রাহ্য কৰিছে।

(গ) **জৈৱিক তত্ত্ব** (Organic Theory) ঃ এই তত্ত্ব অনুসৰি সমাজ আৰু ব্যক্তিৰ মাজৰ সম্পর্ক যান্ত্রিক নহয় জৈৱিক। তত্ত্বটোৱে সমাজখনক এটা মানৱ দেহৰ সৈতে তুলনা কৰে। মানৱ দেহ এটা অসংখ্য কোষেৰে গঠিত। একেদৰে, সমাজ এখনো অসংখ্যা ব্যক্তিৰে গঢ়া। এই তত্ত্ব অনুসৰি সমাজ আৰু ব্যক্তি আন্তঃনির্ভৰশীল। লেচ্‌লী ষ্টিফেন আৰু হার্বাট স্পেনচাৰ হ'ল এই তত্ত্বৰ প্রধান পৃষ্ঠপোষক। আনবোৰ তত্ত্বৰ দৰে জৈৱিক তত্ত্বটোকো বিভিন্ন কথাৰ ভিত্তিত সমালোচনা কৰা হয়। এটা সমালোচনা অনুসৰি সমাজৰ যান্ত্রিক বুলি ক'ব নোৱাৰি যদিও ইয়াক এক জৈৱিক সত্ত্বা বুলিও ক'ব নোৱাৰি। এটা জীৱন্ত প্রাণী আৰু সমাজৰ মাজত কোনো সাদৃশ্য নাই। জীৱিত প্রাণীৰ মৃত্যু হয়, কিন্তু সমাজ এখনৰ মৰণ নাই।



অগ্রগতি নিৰীক্ষণ

১নং প্রশ্ন ঃ ব্যক্তি কি?

২নং প্রশ্ন ঃ ব্যক্তিস্বাতন্ত্রবাদ কি?

৩নং প্রশ্ন ঃ সামূহিকতাবাদ অথবা সমাজবাদ কি?

৪নং প্রশ্ন ঃ জৈৱিক তত্ত্বটোৰ সংজ্ঞ দিয়ক।

৫ নং প্রশ্ন ঃ সামাজিক চুক্তি তত্ত্বৰ সংজ্ঞা দিয়ক।

৬ নং প্রশ্ন ঃ সমাজ বুলিলে কি বুজে?

৭ নং প্রশ্ন ঃ সমাজ আৰু ব্যক্তিৰ মাজত কি সম্পর্ক আছে?

৮নং প্রশ্ন ঃ হবচ্‌ৰ মতে মানৱ প্রকৃতি কেনেধৰণৰ?

৯নং প্রশ্ন ঃ প্রত্যেক ব্যক্তিয়ে কি দুটা অভিপ্রায় পূৰণৰ প্রয়াস কৰে?

১০ নং প্রশ্ন ঃ প্রাকৃতিক আইন মানে কি বুজে?



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ অবিহনে অসম্পূর্ণ মানুহকে 'ব্যক্তি' বুলি কোৱা হয়।
- উমৈহতীয়া দৃষ্টিভংগী, পচন্দ-অপচন্দ অথবা লক্ষ্য ভাগ- বাটোৱাৰাৰ কৰা ব্যক্তিৰ সমষ্টিয়ে একোখন সমাজ গঠন কৰে।
- হবচ্‌ৰ মতে সমাজ গঠন হোৱাৰ আগতে মানুহবোৰ মূলতঃ স্বার্থপৰ প্রকৃতিৰ আছিল। তেওঁলোকে কেৱল নিজৰ কথা চিন্তা কৰিছিল আৰু যিকোনো মূল্যৰ বিনিময়ত নিজ স্বার্থ সুৰক্ষিত ৰাখিব বিচাৰিছিল।

- মানুহে স্বইচ্ছাৰে আগবাঢ়ি আহি যিখন চুক্তি সম্পাদন কৰিছিল সেইখনকে সামাজিক চুক্তি বোলে। সামাজিক চুক্তি তত্ত্ব মৰ্মেই মানৱ গোটবোৰে সমাজ গঠন কৰিছিল।
- সমাজ মানৱ সৃষ্ট
- সমাজ গঠন হোৱাৰ পাছত মানৱ সৃষ্ট আইন-কানুনে প্ৰাকৃতিক আইনৰ স্থান লৈছিল।
- হবচে শাসকৰ সাৰ্বভৌমত্বত বিশ্বাস কৰিছিল।
- ব্যক্তি আৰু সমাজৰ মাজত এটা আন্তঃনিৰ্ভৰশীল সম্পৰ্ক আছে।
- ব্যক্তিস্বাতন্ত্ৰ্যবাদী তত্ত্ব অনুসৰি ব্যক্তি স্বাধীন আৰু সমাজৰ বাধ্যবাধকতাৰ দ্বাৰা পৰিচালিত নহয়।
- সামূহিকতাবাদ তত্ত্ব অনুসৰি ব্যক্তি অবিহনে সমাজৰ অস্তিত্ব থাকে, কিন্তু সমাজ অবিহনে ব্যক্তিৰ অস্তিত্ব নাথাকে।
- জৈৱিক তত্ত্বৰ মতে ব্যক্তি আৰু সমাজৰ মাজত থকা সম্পৰ্ক যান্ত্ৰিক নহয় জৈৱিক।



২.১০ অধিক জানিবলৈ

1) Chakravarty, Sibnath, (1962), An Introduction to Politics: Modern Book Agency Pvt Ltd.
2) Chaturvedi, Archana (2006), Political Theory: Commonwealth Publishers
3) Sanyal, Jagadiswar (1994): Guide to Social Philosophy: Sribhumi Publishing House
4) Stumpf, Samuel E, (1987), Elements of Philosophy, An Introduction: McGrew Hill Book Company



২.১১ অগ্ৰগতিৰ খতিয়ান

উত্তৰসমূহ-

১। ব্যক্তি বুলি আমি শৰীৰ, মন আৰু আত্ম- এই তিনিটা উপাদানেৰে গঠিত এগৰাকী বিশেষ মানুহৰ কথা বুজো।

২। ব্যক্তিস্বাতন্ত্ৰ্যবাদ হ'ল ব্যক্তি আৰু সমাজৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা এটা তত্ত্ব। এই তত্ত্বটোৰ মতে ব্যক্তি স্বাধীন আৰু সমাজ অবিহনেও ব্যক্তিয়ে নিজ অস্তিত্ব বৰ্তাই ৰাখিব পাৰে।

৩। সামূহিকতাবাদী অথবা সমাজবাদী তত্ত্ব অনুসৰি ব্যক্তিয়ে নিজৰ স্বাধীনতা হেৰুওৱাৰ পাছত একগোট হৈ সমাজ গঠন কৰে।

৪। যিটো তত্ত্বই সমাজ আৰু ব্যক্তিৰ মাজত যান্ত্রিক নহয় জৈৱিক সম্পর্ক আছে বুলি কয় তাকেই জৈৱিক তত্ত্ব বোলা হয়।

৫। যিটো তত্ত্বই মানুহে স্ব-ইচ্ছাৰে আগবাঢ়ি আহি এক চুক্তি সম্পাদন কৰি সমাজ গঠন কৰিছিল বুলি কয় সেই তত্ত্বটোকে সামাজিক চুক্তি তত্ত্ব বোলে।

৬। উমৈহতীয়া দৃষ্টিভংগী, পচন্দ-অপচন্দ অথবা লক্ষ্য ভঙ্গগ-বাটোৱাৰা কৰা ব্যক্তি-সমষ্টিয়ে সমাজ গঠন কৰে।

৭। ব্যক্তি আৰু সমাজৰ মাজত আন্তঃনির্ভৰশীলতাৰ সম্পর্ক থাকে।

৮। হবচ্ৰ মতে প্রকৃতি ৰাজ্যত মানুহ সমান আছিল, প্রত্যেকৰে সম-স্বাধীনতা আছিল। সেই সময়ত মানুহ স্বার্থপৰ আৰু অহংবোধসম্পন্ন আছিল। নিজ ইচ্ছা পূৰণৰ বাটত ভাবুকিৰ সৃষ্টি কৰা সকলো কথাকে নাইকিয়া কৰিবলৈ তেওঁলোকে যিকোনো কাম কৰিব পাৰিছিল।

৯। ব্যক্তিয়ে পূৰণ কৰিব খোজা অভিপ্রায় দুটা হ'ল ক্ষুধা নিবাৰণ আৰু ঘৃণা প্রদর্শন।

১০। হবচ্ৰ মতে সমাজ গঠন হোৱাৰ পূর্বে মানুহক কি কৰা উচিত আৰু কি কৰা অনুচিত সেয়া ঠিৰাং কৰাত সহায় কৰা নিয়মবোৰেই হ'ল প্রাকৃতিক আইন।



২.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

১। সমাজ কি?

২। মানুহৰ বাবে সমাজ স্বাভাৰিক কথানে?

৩। হবচ্ৰ সামাজিক চুক্তি তত্ত্বটো কেনেধৰণৰ?

৪। ব্যক্তি আৰু সমাজৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰা তত্ত্ববোৰ কি কি?

৫। সমাজ গঠন হোৱাৰ পূর্বে মানুহৰ প্রকৃতি কেনেকুৱা আছিল?

৬। প্রত্যেক ব্যক্তিয়ে কি দুটা অভিপ্রায় পূৰণৰ চেষ্টা কৰে?

৭। ব্যক্তিস্বাতন্ত্রবাদ তত্ত্বটো কি?

৮। জৈৱিক তত্ত্বৰ সংজ্ঞা আগবঢ়াওক।

৯। সামূহিকতাবাদ অথবা সমাজবাদ মানে কি?

(খ) চুটি প্রশ্ন-(প্রায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। সমাজৰ উৎপত্তি সম্পর্কে এটি চমুটোকা লিখক।

২। সামাজিক চুক্তি তত্ত্বৰ বিষয়ে এটি চমুটোকা লিখক।

৩। ব্যক্তি আৰু সমাজৰ মাজত কেনেধৰণৰ সম্পর্ক আছে?

৪। মানৱ প্ৰকৃতি সম্পৰ্কে এটি চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন-(প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

১। ব্যক্তিস্বাতন্ত্ৰ্যবাদ মানে কি? ই সমাজ আৰু ব্যক্তিৰ মাজৰ সম্পৰ্ক সন্তোসজনকভাৱে ব্যাখ্যা কৰিব পাৰেনে? আলোচনা কৰক।

২। সামূহিকতাবাদ অথবা সমাজবাদ বুলিলে কি বুজে? এই তত্ত্বটো সন্তোষজনকনে? ব্যাখ্যা কৰক।

৩। সমাজৰ উৎপত্তি বিষয়ক সামাজিক চুক্তি তত্ত্বটোৰ কথা বৰ্ণনা কৰক।

৪। ব্যক্তি আৰু সমাজৰ মাজত কি সম্পৰ্ক আছে। আলোচনা কৰক।

** ***** **